**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-07-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

***----------------------***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি দিনৰ ১১ বজাত আকাশবাণীযোগে প্ৰচাৰিত মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণ সৈতে মত বিনিময়।

২। ছিকিমৰ ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যক অসমৰ নতুন ৰাজ্যপাল হিচাপে নিযুক্তি দিয়াৰ লগতে অসমৰ প্ৰাক্তন সাংসদ ৰমেন ডেকাক ছত্তিশগড়ৰ ৰাজ্যপাল হিচাপে নিযুক্তি।

৩। স্বাধীনতা সংগ্ৰামী দেশভক্ত তৰুণৰাম ফুকনৰ ৮৫ সংখ্যক মৃত্যু বাৰ্ষিকীত আজি ৰাজ্যজুৰি দেশভক্তি দিৱস পালন।

৪। পেৰিছ্‌ অলিম্পিকত ভাৰতীয় খেলুৰৈসকলৰ অভিযান আৰম্ভ।

*আৰু*

৫। শ্ৰীলংকাত অনুষ্ঠিত ভাৰত-শ্ৰীলংকাৰ তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত ভাৰতৰ ৪৩ ৰানত জয়লাভ।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীযোগে প্ৰচাৰিত মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণ সৈতে মত বিনিময় কৰিব। প্ৰতিমাহে প্ৰচাৰিত এই অনুষ্ঠানৰ এয়া হ'ব ১১২ সংখ্যক খণ্ড। আনহাতে একেৰাহে তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰীৰ দায়িত্ব লোৱাৰ পাছত শ্ৰীমোদীৰ এয়া হ'ব মন কী বাতৰ দ্বিতীয়টো খণ্ড। এই অনুষ্ঠান আকাশবাণী-দূৰদৰ্শনৰ সকলো নেটৱৰ্কৰ লগতে এয়াৰ নিউজ ৱেবচাইট আৰু নিউজ অন এয়াৰ ম'বাইল এপ যোগে প্ৰচাৰিত হ'ব। এই অনুষ্ঠান  এয়াৰ নিউজ, ডি ডি নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয়ৰ লগতে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলটো পোনপটীয়াকৈ শুনিবলৈ পোৱা যাব। আকাশবাণীয়ে এই অনুষ্ঠানৰ পাছতে আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

oooooo

ছিকিমৰ ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যক অসমৰ নতুন ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে। শ্ৰী আচাৰ্যক মণিপুৰৰ ৰাজ্যপাল হিচাপেও অতিৰিক্ত দায়িত্ব দিয়া হৈছে। লক্ষ্মণপ্ৰসাদ আচাৰ্যই ২০১৫ চনৰ পৰা ২০২৩ চনলৈ উত্তৰপ্ৰদেশ বিধানসভাৰ জনপ্ৰতিনিধি হিচাপে সেৱা আগবঢ়াইছিল। ৰাজ্যৰ বৰ্তমানৰ ৰাজ্যপাল গোলাব চান্দ কাটাৰিয়াক পঞ্জাবৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়াৰ লগতে কেন্দ্ৰীয় শাসিত অঞ্চল চণ্ডীগড়ৰ প্ৰশাসক হিচাপে নিযুক্তি দিয়া হৈছে। অসমৰ প্ৰাক্তন লোকসভা সাংসদ ৰমেন ডেকাক ছত্তিশগড়ৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে। উল্লেখযোগ্য যে, ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে বিভিন্ন ৰাজ্যৰ নতুন ৰাজ্যপালসকলক নিযুক্তি দিছে। সেই অনুসৰি মহাৰাষ্ট্ৰ বিধানসভাৰ প্ৰাক্তন অধ্যক্ষ হৰিভাও কিষানৰাও বাগড়েক ৰাজস্থানৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে। ত্ৰিপুৰাৰ প্ৰাক্তন উপ মুখ্যমন্ত্ৰী জিষ্ণু দেৱ বাৰ্মাক তেলেংগানাৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে। ৰাজস্থানৰ প্ৰাক্তন ৰাজ্যসভাৰ সাংসদ ওম প্ৰকাশ মাথুৰক

ছিকিমৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে। প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী সন্তোষ কুমাৰ গাংগৱাৰক ঝাৰখণ্ডৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে। কৰ্ণাটকৰ প্ৰাক্তন মন্ত্ৰী চি এইচ বিজয়শংকৰক মেঘালয়ৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে। ঝাৰখণ্ডৰ বৰ্তমানৰ ৰাজ্যপাল চি পি ৰাধাকৃষ্ণণক মহাৰাষ্ট্ৰৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে। ভাৰতীয় প্ৰশাসনিক সেৱাৰ প্ৰাক্তন বিষয়া কে. কৈলাশ নাথনক পুডুচেৰীৰ উপ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে।

০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি নতুন দিল্লীত অনুষ্ঠিত নিটি আয়োগৰ নৱম পৰিচালন পৰিষদৰ বৈঠকত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিকশিত ভাৰতৰ লক্ষ্যত অৰিহনা যুগোৱা ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে আলোকপাত কৰে। সামাজিক মাধ্যমযোগে শ্ৰীশৰ্মাই অসম দ্ৰুতগতিত বিকশিত হোৱা ৰাজ্যসমূহৰ ভিতৰত অন্যতম হিচাপে পৰিগণিত হৈছে বুলি উল্লেখ কৰে। ২০২০ চনৰ পৰা ৰাজ্যৰ মূলধনী ব্যয় ৫৯ শতাংশ সম্প্ৰসাৰণৰ লগতে ৰাস্তা, পানীযোগান, স্বাস্থ্য আৰু শিক্ষাৰ আন্তঃগাঁথনিত বিনিয়োগ বৃদ্ধি পাইছে বুলি তেওঁ উল্লেখ কৰে। তদুপৰি বিভিন্ন পৰ্যায়ত থকা নিৰ্মাণৰত প্ৰকল্পসমূহে উন্নয়নৰ ক্ৰমাগত ধাৰাক প্ৰতিনিধিত্ব কৰে বুলিও শ্ৰীশৰ্মাই প্ৰকাশ কৰে। ইয়াৰ লগতে ৰাজ্যৰ ৩ হাজাৰ মেগাৱাটৰ নৱীকৰণযোগ্য শক্তি ক্ষমতা নিৰ্মাণৰ উপৰি সমগ্ৰ শিক্ষা অভিযানৰ অধীনত ৩৫ হাজাৰ কোটি টকা ব্যয়ৰে পানীযোগানৰ ব্যৱস্থা গঢ়ি তোলাৰ লগতে ১৩ হাজাৰ নতুন শ্ৰেণীকোঠা নিৰ্মাণ কৰা হৈছে বুলিও তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে বিদ্যালয় এৰি যোৱা ৮১ হাজাৰ শিক্ষাৰ্থীক বিদ্যালয়লৈ ঘূৰাই অনাৰ বাবে প্ৰচেষ্টা চলাই থকা হৈছে বুলি প্ৰকাশ কৰে। সমাগত দিনবোৰত ৰাজ্যই কৰ্মশক্তি উন্নীতকৰণ, সৰল ঔদ্যোগিক ভেঁটি গঢ়ি তোলা, আইন-শৃংখলা বজাই ৰখা আৰু জন অংশীদাৰিত্বৰ বিভিন্ন পদক্ষেপসমূহত অধিক প্ৰাধান্য দিয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব বুলিও শ্ৰীশৰ্মাই উল্লেখ কৰে।

০০০০০০

অগ্ৰণি স্বাধীনতা সংগ্ৰামী দেশভক্ত তৰুণৰাম ফুকনৰ ৮৫ সংখ্যক মৃত্যু বাৰ্ষিকীত আজি ৰাজ্যজুৰি দেশভক্তি দিৱস পালন কৰা হ'ব। এই উপলক্ষে গুৱাহাটীৰ দেশভক্ত তৰুণৰাম ফুকন উদ্যানত ৰাজ্য চৰকাৰৰ উদ্যোগত আজি এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ইয়াৰ লগত সংগতি ৰাখি জনতাভৱনৰ সভাকক্ষত আয়োজিত এখন মুকলি সভাত ৰাজ্য চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। উল্লেখযোগ্য যে ২০২১ চনৰ পৰা কেবিনেট বৈঠকৰ সিদ্ধান্ত অনুসৰি আজিৰ দিনটোত সমগ্ৰ ৰাজ্যতে দেশভক্তি দিৱস হিচাপে পালন কৰি অহা হৈছে।

০০০০০০

ৰাজ্য চৰকাৰে ২০২১ চনৰ আগষ্টৰ পৰা ২০২৩ চনৰ আগষ্টলৈ eshram.gov.in প'ৰ্টেলত পঞ্জীয়নভুক্ত ৰাজ্যৰ প্ৰব্ৰজিত শ্ৰমিকসকললৈ বিশেষ সুবিধা আগবঢ়াইছে। প্ৰব্ৰজিত শ্ৰমিকসকলে নতুন ৰেচন কাৰ্ড অথবা ৰেচন কাৰ্ডত নাম অন্তৰ্ভুক্ত কৰাৰ বাবে নিৰ্দিষ্ট প্ৰ-পত্ৰ সম্পূৰ্ণ তথ্যসহ পূৰণ কৰি জমা দিব লাগিব। এই ক্ষেত্ৰত আৱেদনকাৰীৰ বাৰ্ষিক আয় ৪ লাখ টকাতকৈ কম হ'ব লাগিব। প্ৰ-পত্ৰ জমা দিয়াৰ শেষ তাৰিখ ৩ আগষ্ট। এই প্ৰ-পত্ৰসমূহ সংশ্লিষ্ট জিলা মহকুমাৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ কাৰ্যালয়ত জমা দিব লাগিব।

০০০০০০

নতুন দিল্লীত অনুষ্ঠিত ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য সমিতিৰ ৪৬ সংখ্যক বৈঠকত অংশ লোৱা সোণাৰিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰক একাধিক দল-সংগঠনে আদৰণি জনায়। চৰাইদেউৰ ঐতিহাসিক মৈদাম ক্ষেত্ৰই আনুষ্ঠানিক স্বীকৃতি লাভ কৰাৰ বিৰল ক্ষণৰ সাক্ষী হ'বলৈ দিল্লীত বাহৰ পাতি থকা বিধায়কগৰাকী কালি চৰাইদেউত উপস্থিত হয়। মৈদাম ক্ষেত্ৰত উপস্থিত হৈ বিধায়কগৰাকী চাও চি ৰেন গৃহত বন্তি প্ৰজ্বলন কৰি স্বৰ্গদেউসকলক স্মৰণ কৰে। এই ঐতিহাসিক স্বীকৃতি লাভ কৰাৰ বাবে বিধায়কগৰাকীয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ তৎপৰতা আৰু দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিশেষ উদ্যোগৰ শলাগ লয়।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ নাট শাখাৰ কণ্ঠস্বৰ পৰীক্ষা অৰ্থাৎ অডিচনৰ বাবে নিৰ্দিষ্ট কৰা দিনৰ সালসলনি ঘটোৱা হৈছে। নাট শাখাৰ পৰা জনোৱা মতে অনিবাৰ্য কাৰণ বশতঃ অহা ২ আগষ্টৰ পৰা অনুষ্ঠিত হ'বলগীয়া পূৰ্ব ঘোষিত কণ্ঠস্বৰ পৰীক্ষাৰ সূচী নতুনকৈ ঘোষণা কৰা হৈছে। নতুন তাৰিখ অনুসৰি অহা ৩ ছেপ্তেম্বৰৰ পৰা ২০ ছেপ্তেম্বৰলৈকে এই অডিচন সম্পন্ন হ'ব। নতুনকৈ আবেদন কৰা শিশু শিল্পী আৰু বি-গ্ৰেডৰ উপৰি বি-হাইগ্ৰেডৰ বাবেও একেলগে অডিচন সম্পন্ন হ'ব। প্ৰাৰ্থীসকললৈ কণ্ঠস্বৰ পৰীক্ষাৰ প্ৰৱেশ পত্ৰ ডাক যোগে পঠিওৱা হ'ব আৰু প্ৰত্যেককে ম'বাইলত অডিচনৰ তাৰিখ আৰু সময় সম্পৰ্কে বাৰ্তা প্ৰেৰণ কৰা হ'ব। যদি আবেদন কৰা কোনো প্ৰাৰ্থীয়ে এই দুয়োটা মাধ্যমৰ এটাৰ জৰিয়তেও নিজৰ কণ্ঠস্বৰ পৰীক্ষাৰ দিন-সময় সম্পৰ্কে অৱগত নহয় তেন্তে তেওঁলোকে অহা ২০ আগষ্টৰ পাছত ৯৪০১০-৮৩০১৮ নম্বৰত হোৱাটছ-এপ যোগে যোগাযোগ কৰিব পাৰিব। পৰীক্ষাত উত্তীৰ্ণ হৈ কেন্দ্ৰটোৰ নাট শাখাৰ অভিনয় শিল্পীৰ স্বীকৃতি পোৱাসকল ৰ তালিকা ২৪ ছেপ্তেম্বৰৰ বিয়লি ৩ বজাত প্ৰকাশ কৰা হ'ব।

০০০০০০

যকৃতৰ প্ৰদাহ হেপাটাইটিছ ৰোগত প্ৰতি বছৰে বহু নিযুত লোক আক্ৰান্ত হোৱাৰ লগতে মৃত্যু মুখত পৰে। বিশ্ব স্বাস্থ্য সংস্থাই বিশ্বত সৰ্বসাধাৰণৰ ৰাইজক হেপাটাইটিছ ৰোগটোৰ প্ৰতিৰোধ ব্যৱস্থা গ্ৰহণ কৰা, সংক্ৰমণৰ লগে লগে চিনাক্ত কৰা আৰু চিকিৎসাৰ বাবে উৎসাহিত কৰাৰ উদ্দেশ্যে প্ৰতিবছৰে আজিৰ দিনটোতে বিশ্ব হেপাটাইটিছ দিৱস পালন কৰা হয়। ভাইৰেল সংক্ৰমণৰ ফলত হোৱা এই ৰোগবিধ মূলতঃ এ, বি, চি, ডি আৰু ই এই পাঁচ প্ৰকাৰৰ হোৱা দেখা যায়। অসুৰক্ষিত বেজী আৰু নিড'লৰ পুনৰ ব্যৱহাৰ, নিচাযুক্ত দ্ৰব্য গ্ৰহণৰ বাবে বহুজনৰ মাজত একেটা বেজীৰ ব্যৱহাৰ, ব্যক্তিগত ব্যৱহৃত সামগ্ৰী যেনে ৰেজাৰ, ব্লেড, টুথব্ৰাছ আদি একাধিকজনে ব্যৱহাৰ কৰা, অসুৰক্ষিত তেজ গ্ৰহণ, শৰীৰত টাটু আঁকিবৰ বাবে ব্যৱহাৰ কৰা চিয়াহী আদিৰ ফলত এই ৰোগবিধ সংক্ৰমণ হয়। আনহাতে গৰ্ভৱতী মহিলাসকলে গৰ্ভাৱস্থাৰ সময়ত হেপাটাইটিছ-বিৰ পৰীক্ষা নকৰাৰ ফলত এই ৰোগবিধ মাতৃৰ পৰা সন্তানলৈ সংক্ৰমণ হয়। হেপাটাইটিছ-বি পজিটিভ গৰ্ভৱতী মহিলাকে চিকিৎসালয়ত প্ৰসৱ কৰোৱাৰ ফলত নৱজাতকলৈ এই ৰোগ সংক্ৰমণ হোৱাৰ পৰা ৰক্ষা কৰিব পাৰি। এই ৰোগবিধৰ পৰা নৱজাতকক সুৰক্ষিত কৰি ৰাখিবলৈ জন্মৰ ২৪ ঘণ্টাৰ ভিতৰত ভেকচিন প্ৰদান কৰিব লাগে। এই ৰোগৰ চিকিৎসা বৰ্তমান সকলো অসামৰিক চিকিৎসালয় আৰু চিকিৎসা মহাবিদ্যালয়ত বিনামূলীয়াকৈ উপলব্ধ। উল্লেখযোগ্য যে এই বছৰ বিশ্ব হেপাটাইটিছ দিৱসৰ উক্তি হ'ল- ITS TIME FOR ACTION।

০০০০০০

গুৱাহাটী অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এশ দিনৰ কাৰ্যসূচীৰ অন্যতম কেন্দ্ৰীয় হস্ততাঁত মন্ত্ৰালয়ৰ অধীনৰ **"শিপিনী আৰু হস্তকলা শিল্পৰ উত্থান"** শীৰ্ষক দক্ষতা

বিকাশ কাৰ্যসূচী শুভাৰম্ভ কৰা হয়। কেন্দ্ৰীয় হস্ততাঁত আৰু বৈদেশিক পৰিক্ৰমা বিভাগৰ ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই এই কাৰ্যসূচী মুকলি কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ৰাজ্যৰ হস্ততাঁত আৰু বস্ত্ৰ শিল্পৰ মন্ত্ৰী ইউ জি ব্ৰহ্মাই হস্ততাঁত আৰু বস্ত্ৰশিল্পৰ সৈতে জড়িত শিপিনী তথা অন্যান্য শিল্পীসকলৰ কাৰিকৰী প্ৰশিক্ষণৰ প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰে। সমগ্ৰ দেশৰ মুঠ এশটা গোটৰ শিপিনী আৰু হস্ততাঁত আৰু বস্ত্ৰশিল্পীৰ এশ দিনীয়া জলপানীসহ প্ৰশিক্ষণ কাৰ্যসূচীৰ শুভাৰম্ভ অনুষ্ঠানত কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী মাৰ্ঘেৰিটাই ভাৰ্চুৱেল ব্যৱস্থাৰে কেৰালা, হায়দৰাবাদ আৰু কোলহাপুৰৰ হস্তশিল্পীসকলৰ সৈতে মত বিনিময় কৰে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি হস্ততাঁত শিল্পৰ এখন প্ৰদৰ্শনীৰো আয়োজন কৰা হয়।

০০০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলাতো চলিত মাহৰ পৰা সম্পূৰ্ণতা অভিযান আৰম্ভ হৈছে। এই অভিযানৰ জৰিয়তে প্ৰতিখন গাঁৱত ৩০ বছৰৰ উৰ্ধৰ ৭০ হাজাৰ লোকৰ মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগ চিনাক্তৰ বাবে পৰীক্ষাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ উপৰি গৰ্ভৱতী মহিলাসকলৰ বাবে 1st ANC Trimster আৰু জন্মৰ পৰা এবছৰ বয়সৰ শিশুক এফ আই চি প্ৰদানৰ ব্যৱস্থা হাতত লোৱা হৈছে। জিলাখনৰ ১০০ শতাংশ লোককে এই অভিযানত সামৰি লোৱা হ'ব বুলি জিলা স্বাস্থ্য আৰু পৰিয়ালকল্যাণ বিভাগৰ জিলা আঁচনি প্ৰবন্ধক ৰুফুল আমিন মণ্ডলে জানিবলৈ দিছে।

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান**ৰ অধীনত অসমৰ কেইবাখনো জিলাত কাৰ্যসূচী অব্যাহত আছে। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন জিলাত স্বাস্থ্য আৰু কৃষি বিভাগে বিভিন্ন সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰিছে। সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত মহিলা আৰু শিশুৰ স্বাস্থ্য আৰু পৰিপুষ্টিৰ দিশটো উন্নত কৰাৰ বাবে লক্ষ্য লোৱা হৈছে। ইয়াৰ অংশ হিচাপে মূলতঃ প্ৰথম ৩ মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। তদুপৰি সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুক মাতৃ দুগ্ধপান কৰোৱাৰ প্ৰতি সজাগতা সৃষ্টিৰ দ্বাৰা শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে। সম্প্ৰতি বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহতো প্ৰসূতি আৰু শিশুৰ স্বাস্থ্য ৰক্ষাৰ বাবে এই অভিযানৰ অধীনত ব্যৱস্থা অব্যাহত ৰখা হৈছে। ইপিনে, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ভূমি স্বাস্থ্য কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মসহায়ক গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। একেদৰে বিদ্যুৎ যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰো লক্ষ্য লোৱা হৈছে। ৩ মাহজোৰা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে।

০০০০০০

পেৰিছ অলিম্পিকৰ প্ৰথম দিনটোত ভাৰতীয় খেলুৱৈসকলে কৃতিত্ব লাভ কৰিবলৈ সক্ষম হৈছে। মহিলাৰ ১০ মিটাৰ এয়াৰ ৰাইফলচত মানু ভাকেৰে অৰ্হতাত ৩য় স্থান দখল কৰি ফাইনেলৰ বাবে যোগ্যতা অৰ্জন কৰিছে। পুৰুষ হকী দলটোৱেও যোৱা নিশা ইভছ-ডু-মেনোয়াৰ ষ্টেডিয়ামত অনুষ্ঠিত উদ্বোধনী পুল-বি মেচত নিউজিলেণ্ডৰ বিৰুদ্ধে ৩-২ গ'লত জয়লাভ কৰি অভিযান আৰম্ভ কৰে। পুৰুষৰ একক শাখাৰ টেবুল টেনিছৰ প্ৰাৰম্ভিক

ৰাউণ্ডত ভাৰতৰ হৰমীত দেশাইয়ে কালি জৰ্ডানৰ জাইদ আবো য়ামানক ৪-০ত পৰাস্ত কৰে। মহিলাৰ ৫৪ কিলোগ্ৰাম বক্সিংত ভাৰতৰ প্ৰীতি পাৱাৰে ভিয়েটনামৰ ভো থি কিম আনৰ বিৰুদ্ধে ৫-০ ত জয়লাভ কৰি ১৬ ৰাউণ্ডত প্ৰৱেশ কৰে।

ভাৰতীয় খেলুৱৈসকলে আজি শ্বুটিং, আৰ্চাৰী, টেবুল টেনিচ আৰু বেডমিন্টন প্ৰতিযোগীতাতো অংশ ল'ব। মহিলাৰ একক বেডমিন্টনত পিভি সিন্ধুৱে প্ৰথমখন খেলত আজি পাকিস্তানৰ ফাতিমাথ আব্দুল ৰজ্জকৰ মুখামুখি হ'ব। পুৰুষৰ একক শাখাত এইচ এছ প্ৰণয়ে জাৰ্মানীৰ ফেবিয়ান ৰোথৰ বিৰুদ্ধে খেলিব। পুৰুষৰ ডাবলছত ৰোহন বোপান্না আৰু শ্ৰীৰাম বালাজীৰ ভাৰতীয় যুটীটোৱে ফান্সৰ গায়েল মনফিলছ আৰু এডৱাৰ্ড ৰজাৰ ভেছলনৰ বিৰুদ্ধে প্ৰথম ৰাউণ্ডত অৱতীৰ্ণ হ'ব। দুয়োখন খেল বিয়লি চাৰে তিনি বজাৰ পৰা আৰম্ভ হ'ব। মহিলাৰ ৫০কেজি শাখাৰ বক্সিঙত দুবাৰৰ বিশ্ব চেম্পিয়ন নিখাত জাৰীণে আজি খেল আৰম্ভ কৰিব। বিয়লি ৩বাজি ৫০ মিনিটত খেলুৱৈগৰাকীয়ে জাৰ্মানীৰ মেক্সী কেৰিণা ক্লৱেটজাৰৰ বিৰুদ্ধে প্ৰতিযোগীতাত অৱতীৰ্ণ হ'ব। পুৰুষৰ একক শাখাত ভাৰতৰ তাৰকা খেলুৱৈ শৰথ কমলে Sloveniaৰ ডেনি কজুল আৰু হৰমীত দেছাই ফ্ৰান্সৰ সমপৰ্যায়ৰ খেলুৱৈ ফেলিক্স লেব্ৰাণৰ বিৰুদ্ধে খেলিব।

০০০০০০

শ্ৰীলংকাৰ পাল্লেকলে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত ভাৰত আৰু শ্ৰীলংকাৰ মাজত কালি অনুষ্ঠিত তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত ভাৰতে শ্ৰীলংকাক ৪৩ ৰানত পৰাস্ত কৰে। এই জয়ৰ জৰিয়তে ভাৰতে শৃংখলাটোত ১-০ৰ অগ্ৰগতি লাভ কৰিছে। টছত জয়লাভ কৰি শ্ৰীলংকাই প্ৰথমে ভাৰতক বেট ধৰাৰ আমন্ত্ৰণ জনায়। ভাৰতে নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেটৰ বিনিময়ত ২১৩ ৰান সংগ্ৰহ কৰে। সূৰ্য কুমাৰ যাদৱে ৫৮ ৰানৰ বৰঙণি আগবঢ়ায়। ইয়াৰ প্ৰত্যুত্তৰত শ্ৰীলংকাই ১৯ অভাৰ দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৭০ ৰান সংগ্ৰহ কৰে। মেচখনত অসমৰ ৰিয়ান পৰাগে দৰ্শনীয় বলিং প্ৰদৰ্শনেৰে ৫ ৰান ব্যয় কৰি তিনিটা উইকেট দখল কৰিবলৈ সক্ষম হয়। সূৰ্য কুমাৰ যাদৱক প্লেয়াৰ অব্ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। শৃংখলাৰ দ্বিতীয়খন খেল একেটা স্থানতে আজি সন্ধিয়া ৭ বজাত অনুষ্ঠিত হ'ব।

০০০০০০

পেৰিছ অলিম্পিকৰ উদ্বোধনীৰ বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত অসমীয়া প্ৰতিদিন কাকতে ছেইন নদীত অভিনৱ আয়োজন, নৃত্য-গীতেৰে ফৰাচী ঐতিহ্যৰ জয়গান, পেৰিছ অলিম্পিকৰ বৰ্ণময় উদ্বোধন শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে। যোৰহাটৰ উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান নেইষ্টত কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা চি বি আইয়ে অভিযান চলোৱা বাতৰিক দৈনিক জনমভূমি কাকতে নেইষ্টৰ বিজ্ঞানী-বিষয়াকে ধৰি চাৰিজনক গ্ৰেপ্তাৰ চি বি আইৰ, গৱেষণা সামগ্ৰী ক্ৰয়ৰ নামত বৃহৎ কেলেংকাৰি শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। কেন্দ্ৰীয় ডনাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই এখন সংবাদমেলত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাৰ্যকালৰ সফলতাৰ ব্যাখ্যা আগবঢ়োৱা বিষয়ক এটা বাতৰিক দৈনিক অসম কাকতে ২০২৭ চনত ভাৰত বিশ্বৰ তৃতীয় অৰ্থনৈতিক শক্তিত পৰিণত হ'ব শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। কেন্দ্ৰীয় বাজেটত সোণৰ আবকাৰী শুল্ক ৬ শতাংশ হ্ৰাস কৰাৰ লগে লগে সোণৰ মূল্য হ্ৰাস পোৱাৰ বাতৰিক নিয়মীয়া বাৰ্তা কাকতে স্বৰ্ণৰ ক'লা দিৱস, মাত্ৰ এটা দিনতে ১০ লাখ ৮০ হাজাৰ কোটি টকাৰ মূল্য হেৰুৱালে সোণে শিৰোনামেৰে বাতৰি প্ৰকাশ কৰিছে। আমাৰ অসম কাকতে ৰাজ্যত প্ৰচণ্ড গ্ৰীষ্মপ্ৰবাহৰ লগতে ৩-৪ দিনলৈ উৎকট গৰমৰ পৰিস্থিতি শাম নাকাটে বুলি বৰঝাৰস্থিত বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰা বুলি বাতৰি প্ৰকাশ কৰিছে। দৈনিক অগ্ৰদূত কাকতেও একেটা বাতৰিকে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। নিটি আয়োগৰ

বৈঠকত স্বাধীনতাৰ শতবৰ্ষত উন্নয়নক লৈ চৰ্চা হোৱাৰ বাতৰিক অসম খবৰ কাকতে বিকশিত ভাৰতৰ মন্ত্ৰ মোদীৰ শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে। কেন্দ্ৰীয় বাজেটত অসম আৰু ছিকিমক বান নিয়ন্ত্ৰণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ ১১ হাজাৰ কোটি টকা আৱণ্টন দিয়াৰ লগতে অহা বছৰৰ ভিতৰত দেশৰ ২৪ হাজাৰ গাঁৱত টেলি সংযোগৰ ব্যৱস্থা কৰিব বুলি কেন্দ্ৰীয় মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই ঘোষণা কৰাৰ বাতৰিক দি আছাম ট্ৰিবিউন আৰু দা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – অসমৰ অগ্নিবীৰে অসম আৰক্ষীত নিযুক্তি পাব বুলি মুখ্যমন্ত্ৰীৰ ঘোষণা, অক্টোবৰৰ পৰা দিল্লী-যোৰহাট পোনপটীয়া বিমানসেৱা, ছদিনে সন্ধান নাই সুৰকাৰ ৰমেন বৰুৱাৰ ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

oooooo

সমাপ্ত